# ‘আৰাহন  যুগ’ৰ চুটিগল্প আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ 'নদৰাম' গল্প

**<u>পটভূমি :</u>**

অসমীয়া আধুনিক সাহিত্যত ভালেকেইখন যুগধৰ্মী আলোচনী সংবাদপত্ৰই ঐতিহাসিক স্থান অদ্যাবধি নিশ্চিত কৰি আহিছে৷ জোনাকী যুগৰ (১৮৯০-১৯৪০) ৰমন্যাসবাদী কাব্য-সাহিত্যৰ জয়যাত্ৰাৰ পৰৱৰ্তী সন্ধিস্থল হিচাপে আৰাহন যুগৰ(১৯২৯ -৫০) গল্পৰ কথাকে ক'ব পাৰি৷ যুগটো নতুন নতুন বিষয়বস্তু, জীৱন-জগত সম্পৰ্কে দৃষ্টিভংগীৰ অভিনৱত্ব আৰু বিচাৰ-বিশ্লেষণৰ মৌলিকতাৰে কল্লোলিত৷ ইয়াৰ পূৰ্বতে লক্ষ্মীনাথ বেজবৰুৱাই 'সাধুকথাৰ কুঁকি', 'জোনবিৰি', 'সুৰভি', 'ককাদেউতা, নাতি ল'ৰা', 'বুঢ়ীআইৰ সাধু' আৰু 'জুনুকা'ৰ মাজেদি অসমীয়া কথা শিল্পক সাধুকথা-চুটিগল্পৰ ৰোমাঞ্চকৰ মধুপৰ্কৰ পৰ্যায়লৈ উন্নীত কৰে৷ অসমীয়া সমাজখনৰ প্ৰতিটো চুক-কোণ, অসমীয়া মানুহৰ মনৰ ভিতৰচ'ৰাৰ গোন্ধ পোৱা বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজত প্ৰভেদ নাৰাখি গল্প ৰচনা কৰি যি বিশাল প্ৰাচুৰ্য দান কৰিলে, তাৰ তুলনা একমাত্ৰ ৰবি ঠাকুৰ অথবা প্ৰেমচন্দৰ লগতহে তুলনা হয়৷

বাস্তৱবোধ আৰু ৰমন্যাসিক ভাবধাৰাৰ যুগলমিশ্ৰণত অসমীয়া চটিগল্পই পৰৱৰ্তী স্তৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত 'আৰাহন'ৰ বাস্তৱবোধ আৰু ৰমন্যাসিক ভাবধাৰাৰ যুগল মিশ্ৰণত অসমীয়া চুটিগল্পই পৰৱৰ্তী স্তৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত ‘আৰাহন’ৰ মাজেদি আত্মপ্ৰকাশ কৰিয়েই নতুন নতুন দৃষ্টিভংগীৰে বিষয়বস্তু, ৰচনা-ৰীতি, চৰিত্ৰায়ন, ৰসবোধ আদিৰ ক্ষেত্ৰত মহাকাব্যিক প্ৰাংগণ লাভ কৰিলে৷ সমসাময়িক পৃথিৱীত তোলপাৰ লগোৱা ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ত্ব, মাৰ্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদ, ফ্ৰয়দ-ষ্টউং-এডলাৰৰ যৌনমনস্তত্ত্ব আদিৰ প্ৰভাৱে অসমীয়া গল্পক নতুন স্বাদ আৰু গতি দিলে৷ সমান্তৰালভাৱে মহাত্মা গান্ধীৰ স্বদেশী দৰ্শনৰ লগতে দেশাত্মবোধ আৰু

ঐতিহ্যচেতনাই গল্পকাৰসকলক উদ্‌বুদ্ধ কৰিলে। মোপাছাঁ-চেখভ, টলষ্টয়, গগল পৰিচিত  বিষয়বস্তু হৈ উঠে। লক্ষ্মীধৰ শৰ্মা, হলিৰাম ডেকা, নকুল ভূঞা, মহিচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, বীণা বৰুৱা, কৃষ্ণ ভূঞা, ৰমা দাস, ৰাধিকা মোহন গোস্বামী, শৰৎচন্দ্ৰ গোস্বামী উমাকান্ত শৰ্মা হ'ল প্ৰতিনিধিস্থানীয় লেখক।

আমেৰিকা, ফ্ৰান্স, ৰাছিয়াৰ গল্পকাৰৰ সৈতে অসমীয়া পাঠকৰ পৰিচয় স্থাপন, ব্যক্তিহৃদয়ৰ মুকলি প্ৰকাশ, সামাজিক আদৰ্শৰ প্ৰতিষ্ঠা, মানুহৰ চেতনাৰ আঁৰত লুকাই থকা নগ্নতা, বিপৰীৰ লিংগৰ প্ৰতি সহজাত আকৰ্ষণ, বিৰোধ, শ্ৰেণী চেতনা আৰু বৈষম্য কুসংস্কাৰ-অন্ধবিশ্বাস-গোড়ামিৰ প্ৰতি প্ৰেম, সতীত্বৰ নৱমূল্যায়ন, জাতি-ধৰ্ম-ভাষা কেন্দ্ৰিক তিৰ্যক দৃষ্টিভংগী আদিৰ নতুন সম্পৰীক্ষাৰে 'আৱাহন'ৰ গল্পই লাভ কৰিলে বিশেষ ব্যাপ্তি আৰু গভীৰতা। সেইদৰে নতুন ৰূপত গঢ়ি উঠা তথাকথিত নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক কল্পনা, অবৈধ প্ৰেম, যৌন লালসা আদিও এচাম গল্পকাৰৰ উপজীব্য হৈ উঠে। আনহাতে প্ৰাক-স্বাধীন অসমৰ পটভূমিত জাত-পাত, স্ত্ৰীশিক্ষাৰ অনগ্ৰসৰতা, সামাজিক চৈতন্যহীনতা, মধ্যবিত্ত আমোলাতান্ত্ৰিক শ্ৰেণীৰ ইংৰাজৰ প্ৰতি ভৃত্যসুলভ মানসিকতা আৰু অন্তঃসাৰশূন্যতা আদি সামাজিক ভ্ৰূণবোৰ মূৰ দাঙি উঠালৈ চাই গল্পকাৰসকলে মানৱীয় মূল্যবোধৰ আধাৰত জাতীয় চৈতন্য জাগ্ৰত কৰিবলৈও প্ৰয়াস নকৰা নহয়। সেইসকলৰ ভিতৰত বেজবৰুৱাৰ পিছতে শৰৎ চন্দ্ৰ গোস্বামীৰ স্থান।

## <u>শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ বৈশিষ্ট্যমূলক দিশ :</u>

শৰৎ চন্দ্ৰ গোস্বামী 'জোনাকী' আৰু 'আৱাহন' যুগৰ মধ্যৱৰ্তী গল্পকাৰ- যাৰ গল্পৰ মাজত ৰোমাণ্টিক ভাবালুতাতকৈ সমাজ-বাস্তৱতাই ঠাই পাইছে। বেজবৰুৱাৰ সাধুকথা কথনৰ মাজেৰে সমাজ-সংস্কাৰৰ প্ৰৱণতাৰ বিপৰীতে গোস্বামীয়ে জীৱনৰ প্ৰমূল্য আধাৰিত দিশৰ ৰসোত্তীৰ্ণ উপস্থাপনেৰে একো একোটা বাস্তৱ তত্ত্বও প্ৰত্যয়জনক সততাৰে নিৰ্ণয় কৰিছে- যাৰ উপজীব্য হৈছে দয়া-মায়া, মৰম-চেনেহ, নীতিবোধ আৰু

জীৱনৰ প্ৰতি গভীৰ শ্ৰদ্ধা। গল্পাঞ্জলি (১৯১৪), ময়না (১৯২০), বাজিকৰ (১৯৩০), পৰিদৰ্শন (১৯৫৬) আৰু গল্পমালা (১৯৮৭) হৈছে তেওঁৰ গল্প সংকলন। গ্ৰাম্য জীৱনৰ সৰলতা, দুখীয়াৰ দুখ-দুৰ্গতি, নিষিদ্ধ প্ৰেমৰ কুপৰিণতি, পুৰুষ প্ৰধান সমাজৰ নাৰীৰ প্ৰতি অবিচাৰ আৰু হেয় মনোভাব, গাধন প্ৰথাৰ দৰে সামাজিক ব্যৱস্থাৰ প্ৰভাৱ আদি বিষয়বোৰৰ মাজেদি একো একোটা প্ৰধান সমস্যা দাঙি ধৰাই গল্পকাৰৰ উদ্দেশ্য। আৰ্থ-সামাজিক বৈষম্য আৰু অবিচাৰে সাধাৰণ মানুহৰ জীৱন কেনে বিপন্ন কৰি তোলে, তাৰ মৰ্মস্পৰ্শী চিত্ৰ প্ৰায়বোৰ গল্পতে বিদ্যমান। অৱশ্যে সমস্যা সমাধানৰ বাস্তৱ ইংগিততকৈ সমস্যাৰ উদ্ভাৱনত পৰিৱেশ কেনেদৰে ক্ৰিয়াশীল, সেই পৰিৱেশক দৈৱ বা ভাগ্যৰ অলংঘনীয় বিধান হিচাপেহে দেখুৱাবলৈ প্ৰয়াস কৰিছে গল্পকাৰে। স্বাভাৱিক পৰিৱেশত চৰিত্ৰৰ বিকাশ আৰু দ্বন্দ্বৰে মানৱীয় অনুভূতি শীৰ্ষ স্তৰলৈ নি জীৱনৰ সত্য উদঘাটনৰ প্ৰয়াস কৰাৰ বিপৰীতে এগৰাকী সমাজ বিশ্লেষক ৰূপেহে তেওঁক প্ৰায়বোৰ গল্পৰ মাজেদি দেখিবলৈ পোৱা যায়।

ভাষাৰ মিতব্যয়িতা, কেন্দ্ৰীভূত বিষয়বস্তু উপস্থাপনৰ প্ৰতি সচেতনতা, গল্পৰ ত্ৰি ঐক্য বজাই ৰখাৰ প্ৰয়াস, চৰিত্ৰৰ সুস্থ বিকাশত গুৰুত্ব প্ৰদান আদি গোস্বামীৰ অন্যতম শৈল্পিক বিশেষত্ব চকুত পৰে। দুখীয়া অসহায় লোকৰ জীৱনৰ অন্তৰালত থকা কৰুণ বেদনা, তেওঁলোকৰ সৰলতা, মৰম-কোমল অন্তৰৰ উদাৰতা, সুবিধাবাদী শ্ৰেণীৰ স্বাৰ্থপৰতা আৰু কুটিলতাৰ চিত্ৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ আধাৰত তুলি ধৰিবলৈ প্ৰয়াস কৰে। নিয়তিৰ অদৃশ্য পৰিহাস সৃষ্টিৰে কৰুণ ৰসৰ দ্যোতনাও তেওঁ দিছে। ঘুনুচা, ময়না, নৈৰ দাঁতিত, পশুপতিৰ বিয়া, ৰক্তবীজ আদি গল্পত সামাজিক অন্যায়-অবিচাৰৰ প্ৰতি তেওঁৰ বিদ্ৰোহ আৰু প্ৰতিবাদ প্ৰকাশ পাইছে। সৰল প্ৰকাশভংগীৰ ক্ষেত্ৰত তেওঁ ৰবীন্দ্ৰনাথ আৰু এগাৰ এলেন পোৰ সমগোত্ৰীয়।'

**'নদৰাম' গল্পৰ বিষয়বস্তু আৰু নদৰাম চৰিত্ৰৰ সৰলতা:**

গল্পটো নাতিদীৰ্ঘ। গোৱালপৰীয়া মেচ অৰ্থাৎ ৰাজবংশী সম্প্ৰদায়ৰ নদৰাম নামৰ

ডেকা এজনৰ জীৱনৰ সৰলতা আৰু কাৰুণ্যৰ ৰূপ গল্পটোত মূৰ্ত হৈ উঠিছে। প্ৰথম মহাসমৰৰ সময়ত সৈনিকৰূপে ফ্ৰান্সত যুদ্ধ কৰি থাকোঁতে নদৰামে জানিব পাৰিলে যে তেওঁৰ সদ্যবিবাহিতা ঘৈণীয়েকে ওচৰৰে নদৰামৰ সমবয়সীয়া ভাটিৰাম বোলা ডেকাজনলৈ গুচি গৈছে। যুদ্ধৰপৰা ঘূৰি আহি ঘৈণীয়েকক ঘূৰাই আনিলে যদিও তাইৰ ভাটিৰামৰ প্ৰতি প্ৰকৃত ধাউতি দেখি আৰু ভাটিৰামক নাপালে আপোনঘাতী হ'ব বুলি কান্দি-কাটি বাউলি হোৱা দেখি নদৰামৰ বেথা উপজিল আৰু জিলাৰ বৰচাহাবক কৈ ভাটিৰামক ফাটেকৰপৰা উলিয়াই অনাই নহয়, ঘৈণীয়েককো স্বেচ্ছাই ভাটিৰামৰ সৈতে ঘৰ কৰিবলৈ এৰি দিলে। ঘৈণীয়েকৰ পৰকীয়া প্ৰেমক শ্ৰদ্ধাৰে চোৱা নদৰামে নিজৰ সৰলতাৰ পৰিচয় দিলে। নদৰামৰ এই সৰলতাৰ চিত্ৰ অংকনেই গল্পটোৰ মূল কথা আৰু সেই সৰলতাই হৈছে ইয়াৰ কেন্দ্ৰীয় সৌন্দৰ্য আৰু তত্ত্ব।সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে গল্পটোৰ বিষয়ে মন্তব্য কৰিছে:

> 'নদৰাম 'ত কছাৰী জীৱনৰ সৰলতাৰ প্ৰকাশ আছে। ফ্ৰান্সৰ যুদ্ধত ব্যস্ত থাকোতে নদৰামে জানিব পাৰিলে যে তাৰ ঘৈণীয়েক ভাটিৰামলৈ গৈছে। যুদ্ধৰপৰা আহি সি ঘৈণীয়েকক উদ্ধাৰ কৰাৰ চেষ্টা কৰিলে, কৃতকাৰ্যও হ'ল। ঘৈণীয়েক দুনাই তাৰ ঘৰলৈ আহিল। কিন্তু যেতিয়া সি দেখিলে যে ভাটিৰামৰ প্ৰতিহে ঘৈণীয়েকৰ আকৰ্ষণ বেছি তেতিয়া সি চাহাবক কৈ ঘৈণীয়েকক ভাটিৰামৰ লগত থাকিবলৈ এৰি দিলে। নিজৰ ঘৈণীয়েকৰ পৰগুৰুষৰ প্ৰতি থকা গভীৰ আসক্তিৰ মৰ্যদা নদৰামে যেনেকৈ ৰক্ষা কৰিলে তেনে দৃষ্টান্ত সংসাৰত বিৰল। নদৰামৰ জীবন-যাত্ৰাৰ বাট পোন। গল্পটোত নদৰামৰ সৰলতা আৰু উদাৰতাৰ চিন আছে।

নদৰামৰ ক্ষুদ্ৰ জীৱন পৰিক্ৰমাৰ বিন্দুময় ৰূপ অংকনতেই পৰিস্ফুট হৈছে চৰিত্ৰটোৰ মানৱীয় উচ্চতাৰ মহত্তম স্বৰূপ। আৰম্ভণিৰ পৰাই সাহসী, স্পষ্টবাদী, আত্মসন্মান সচেতন, নিভাঁজ দেশপ্ৰেমীৰ ৰূপতেই দেখিবলৈ পোৱা গৈছে নদৰামক। গল্পকাৰৰ ভাষাত, "চিপাহীৰ বুট পিন্ধা, ভৰিত ফিটা মেৰোৱা, মূৰত বুটৰ হেট, কঁকালত খুকৰি-থুমৰি আঁৰা, ২২/২৩ বছৰ বয়সীয়া, গোৰা বৰণৰ ডেকা ল'ৰা" হ'ল এই নদৰাম। উৎসাহী

বীৰ ডেকা নদৰামে প্ৰথম বিশ্বযুদ্ধৰ সময়ত সৈনিক বেশে ফ্ৰান্সলৈ গৈছিল মিত্ৰশক্তিৰ হৈ যুঁজ দিবলৈ। যুদ্ধলৈ যোৱাৰ প্ৰায় দুবছৰ হৈছিল। যোৱাৰ আগতে বিয়া কৰাইছিল গাঁৱৰে ৰূপহী ছোৱালী এজনীক। বুঢ়া মাক-দেউতাকৰ প্ৰতিপালনৰ ভাৰ ঘৈণীয়েকক সপি যুদ্ধলৈ যোৱা অৱস্থাত তাই যেতিয়া কৰ্তব্যলৈ পিঠি দি দৈহিক প্ৰেমৰ তাড়নাত পতিধৰ্ম-সংসাৰধৰ্ম পাহৰি, সামাজিক বিধি-নিয়ম, দেশ-দস্তুৰ জলাঞ্জলি দিলে স্বাভাৱিকতে হোজা, চৰিত্ৰৱান দেশৰ সৈনিক নদৰামৰ আত্মসম্মান পদানত হোৱাৰে কথা। যুদ্ধৰ অন্তত ভাৰতীয় সৈন্যৰ সৈতে ইজিপ্ত, মেছোপটেমিয়া আদি দেশ অতিক্ৰম কৰি ঘৰ আহি পাই দেখিলে যে ঘৈণীয়েকে ভাটিৰামৰ সৈতে ইতিমধ্যেই ঘৰ পাতিছে।

সৈনিক নদৰামৰ আছে স্বাভিমান আৰু আত্মসম্মানবোধ। দুটা কাৰণত নদৰামে জিলাৰ বৰচাহাবৰ ওচৰত ন্যায় বিচাৰি আবেদন কৰিছে। প্ৰথম, "সি ঘৰত নথকাত মাক-বাপেকক ইমানখিনি দুখ দি তাই এনেটো কাম কৰিব নালাগিছিল। সি লড়াইত ঘাইল হোৱা হলে মাক-বাপেকৰ দুৰ্দশা কি হ'লহেঁতেন?" দ্বিতীয়, "সি লড়াইৰপৰা অহা মানুহ, ৰজাৰ কাৰণে যুদ্ধ কৰি থাকোঁতে যদি আনে তাৰ তিৰোতা লৈ যাব লাগিল, তেনেহ'লে ৰজাৰ গৌৰৱনো ৰক্ষা পৰিল কেনেকৈ?"

নদৰামৰ দুয়োটা কাৰণেই যুক্তিসংগত আৰু নৈতিক। তেওঁৰ গোচৰৰ ফল হ'ল ক্ষিপ্ৰ। জিলাৰ বৰচাহাব স্বয়ং গাঁৱলৈ আহি গাঁওবুঢ়া আৰু আন আন মেম্বৰৰ সন্‌মুখত চৰজমিন তদন্ত কৰি দোষী ভাটিৰামক চালান দি ধুবুৰীৰ ফাটেকত দিয়া আৰু ঘূৰি আহিব নিবিচাৰিলে মানুহজনীকো ফাটেকত দিয়াৰ ৰায় শুনালে।

নদৰামে ন্যায় পালে। এই ন্যায়ে সুখী কৰিছে দেশৰ গৌৰৱ সৈনিক নদৰামক। কিন্তু গল্পটোৰ কেন্দ্ৰীয় বিন্দুটো গ্ৰথিত হৈছে প্ৰেমক মৰ্যাদা দিয়া নদৰামে দুয়োৰো ঘৰখন কৰাৰ বাবে বৰচাহাবৰ ওচৰত পুনৰ অনুনয় কৰাতহে। ভাটিৰামক নাপালে ঘৈণীয়েকে আত্মঘাতী হ'ব বুলি জনাৰ পিছত নদৰামে সিদ্ধান্ত সলনি কৰিলে আৰু অভিযোগটো উঠাই লোৱাৰ উদ্দেশ্যে বৰচাহাবক কৈছে, "হুজুৰৰ হুকুমে ৰজাৰ মান ৰাখিছে, মোৰো মান বচাইছে। এতিয়া মই নিজে খুচি হৈ এৰি দিছো।"

ঘৈণীয়েকৰ প্ৰতি থকা সৰল ভালপোৱা অবিহনে কোনো পুৰুষেই দৈহিক প্ৰেমৰ তাড়নাত পৰপুৰুষৰ বাহুবন্ধনত সোমোৱা পাটীৰ তিৰোতাজনীক ত্যাগ কৰিব নোৱাৰে। ঘৈণীয়েকে নিজৰ ইচ্ছানুসৰি জীৱনসংগী বাছি লোৱা কাৰ্যক বৈধতা দান কৰা আৰু সেয়া নদৰামৰ মৰমৰ প্ৰতিদান বুলি দেখুওৱাতেই গল্পটোৰ মহত্ত্ব।" 'নদৰাম' গল্পৰ পটভূমি জনজাতীয় সমাজ। নদৰাম যুদ্ধত লিপ্ত হৈ থাকোতে তাৰ ঘৈণীয়েকে ভাটিৰামৰ সৈতে পলাই গ'ল। নদৰাম ঘৰলৈ আহি ভাটিৰামৰ বিৰুদ্ধে কেচ দি ঘৈণীয়েকক পালে যদিও তাইৰ ভাটিৰামৰ প্ৰতি থকা গভীৰ প্ৰেমৰ কথা জানিব পাৰি তাইক সি তালৈকে যাব দিলে। ভাটিৰামৰ পৰা আঁতৰাই আনিলে তাই আঘাত পাব বুলিয়ে সি তাইক এৰি দিলে।[পৰাগ কুমাৰ ভট্টাচাৰ্য] ।"

**<u>সামৰণি :</u>**

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰায় সমসাময়িকভাৱেই গোস্বামীয়ে গল্প লিখিবলৈ লৈছিল যদিও অধিক সংখ্যক গল্পপুথি তেওঁৰ মৃত্যুৰ পিছতহে প্ৰকাশ হৈছিল। ৰোমাণ্টিক কথা সাহিত্যৰ অন্যতম বৈভৱ সমাজ সংস্কাৰ গোস্বামীৰ প্ৰায় গল্পৰে উপজীব্য যদিও বেজবৰুৱাৰ দৰে চোকা ব্যঙ্গ-বক্ৰোক্তি গল্পসমূহত অনুপস্থিত। বেজবৰুৱাই আক্ৰমণৰ বিষয় হিচাপে লৈছিল ভেম-ভণ্ডামিক, শৰৎ চন্দ্ৰ গোস্বামীয়ে লৈছিল অন্যায়-অবিচাৰক। বাস্তৱ দৃষ্টিভংগীৰ বাবে চৰিত্ৰসমূহক তেওঁ তৎকালীন পৰিৱেশ-পৰিস্থিতিত মাটি-পানীৰ মানুহ হিচাপে চাইছিল হেতুকে বেজবৰুৱাৰ দৰে অতিৰঞ্জিত চমক সৃষ্টিৰ উদ্দেশ্য নাছিল । প্ৰহ্লাদ কুমাৰ বৰুৱাই লিখিছে:

শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰেমৰ গল্পসমূহৰ ভিতৰত 'নদৰাম' গল্পৰ এটা বিশেষ মূল্য আছে। গল্পটোৰ আৰম্ভণি যিদৰে নাটকীয়; সামৰণিও সেইদৰে নাটকীয়। গল্পটোৰ বিষয়-বস্তু ৰূপায়ণৰ দিশতো গোস্বামীৰ আন বহুবোৰ গল্পৰ তুলনাত 'নদৰাম' উন্নতমানৰ গল্প। 'নদৰাম' গল্পৰ আটাইতকৈ আকৰ্ষণীয় দিশটোৱেই হ'ল নাম ভূমিকাৰ চৰিত্ৰটোৰ চাৰিত্ৰিক বৈচিত্ৰ্য প্ৰকাশ।

সৈনিক হিচাপে দেশৰ বাহিৰত থাকোঁতেই নদৰামৰ ঘৈণীয়েকে চুবুৰীয়া ভাটিৰামলৈ গুচি গ'ল। বহু বছৰৰ মূৰত ঘৰলৈ আহি নদৰামে ভাটিৰামৰ ওচৰৰ পৰা ঘৈণীয়েকক আনি পুনৰ নিজৰ কৰি ল'বৰ বাবে আইনৰ আশ্রয়ো লৈছিল যদিও ঘৈণীয়েকৰ মন-প্ৰাণ ভাটিৰামত মজি যোৱা বুলি জানিব পাৰি আশা আৰু চেষ্টা পৰিত্যাগ কৰিলে। নদৰামৰ এনে মানসিক পৰিৱৰ্তন আকস্মিক; কিন্তু একেবাৰে অসম্ভৱ নহয়। দৰাচলতে শৰৎচন্দ্ৰ গোস্বামীয়ে নৰ-নাৰীৰ প্ৰেমৰ ক্ষেত্ৰত বাহ্যিক বান্ধোনৰ অন্তঃসাৰ-শূন্যতা প্ৰদৰ্শন কৰি আহিছে আৰু তাৰ বিপৰীতে হৃদয়ৰ আকৰ্ষণকহে সদায় স্বীকৃতি দি আহিছে। এই বৈশিষ্ট্য গোস্বামীৰ সকলোবোৰ প্ৰেমৰ গল্পতে লক্ষ্য কৰা যায়। নৰ-নাৰীৰ প্ৰেমৰ সম্পৰ্কে এনে অগতানুগতিক দৃষ্টিভঙ্গী, কেন্দ্ৰীয় ভাবৰ ঐক্যসূত্ৰতা, চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশ, পৰিণতিমুখী উৎকণ্ঠা আৰু নাটকীয়ত্ব আদি গুণৰ বাবে শৰৎচন্দ্ৰ গোস্বামীৰ বহুবোৰ গল্পৰ তুলনাত 'নদৰাম' এটা সফল গল্প।

গল্পটোত নদৰামে ঘৈণীয়েকৰ পৰপুৰুষৰ প্ৰতি যি আসক্তি দেখিলে তাক মান্যতা প্ৰদান কৰি পৰম্পৰাগত সমাজ ব্যৱস্থাৰ সন্মুখত নতুন সংস্কাৰৰ এক আদৰ্শহে প্ৰতিষ্ঠা কৰিলে বুলি ক'ব লাগিব।

**সহায়ক গ্ৰন্থ:**


সাহিত্য বৰ্ণালী- নুৰুল ইছ্‌লাম শইকীয়া (সম্পাদনা)

আধুনিক গল্প সাহিত্য- ত্ৰৈলোক্যনাথ গোস্বামী

অসমীয়া চুটিগল্পৰ অধ্যয়ন- প্ৰহ্লাদ কুমাৰ বৰুৱা

গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য- পৰাগ কুমাৰ ভট্টাচাৰ্য



পাঠ্য সমল প্ৰস্তুতকৰ্তা : **ৰুকুনুদ্দিন আহমেদ**

**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, অভয়াপুৰী মহাবিদ্যলয়**